**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-06-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**----------------------**

১। ২৪ জুনৰ পৰা অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশন আৰম্ভ।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অহা ১৮ জুনত পি এম কিষাণ সন্মান নিধিৰ সপ্তদশ কিস্তি মুকলি। ৰাজ্যৰ ১৭ লাখ ৫০ হাজাৰ কৃষক এই আঁচনিৰ দ্বাৰা লাভান্বিত।

৩। বিজেপিৰ নেতা পেমা খান্দুৰ আজি অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ।

৪। অসম আৰক্ষীৰ বিশেষ অভিযানত প্ৰায় ৬৬ কোটি টকা মূল্যৰ নিচাযুক্ত টেবলেটসহ ৩ জন সৰবৰাহকাৰীক আটক।

৫। অসমৰ চেতনা শৰ্মাৰ মহাৰাষ্ট্ৰত অনুষ্ঠিত মহিলাৰ পাঞ্জাত চেম্পিয়ন অৰ চেম্পিয়নৰ খিতাপ অৰ্জন।

**আৰু**

৬। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে ভাৰতৰ ৭ উইকেটত জয়লাভ। ০০০০০০০০০

০০০০০০

অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশন অহা ২৪ জুনত আৰম্ভ হ'ব। এই অধিৱেশনত নৱনিৰ্বাচিত সদস্যসকলৰ শপতগ্ৰহণ, অধ্যক্ষ নিৰ্বাচন, ৰাষ্ট্ৰপতিৰ ভাষণ আদিৰ উপৰি আন কেতবোৰ বিষয় আলোচনা কৰা হ'ব। আনহাতে ৰাজ্যসভাৰ ২৬৪ সংখ্যক অধিৱেশন ২৭ জুনত আৰম্ভ হ'ব আৰু ৩ জুলাইত অন্ত পৰিব। কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয় যে দেশৰ জনসাধাৰণে তেওঁলোকৰ নেতা নিৰ্বাচন কৰিলে আৰু এতিয়া দেশৰ সেৱা কৰাটোৱে হৈছে নেতাসকলৰ কৰ্তব্য। তেওঁ লগতে ১৪০ কোটি ভাৰতীয়ৰ আকাংক্ষা পূৰ্ণ কৰাৰ বাবে আলোচনা, সমালোচনা তথা বিতৰ্ক কৰাৰ বাবে সংসদ উপযুক্ত মঞ্চ বুলি মন্তব্য কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৮ জুনত বাৰাণসীত পি এম কিষাণ সন্মান নিধিৰ সপ্তদশ কিস্তি মুকলি কৰিব। এই কিস্তিৰ দ্বাৰা ৯ কোটি ৩০ লাখ কৃষকক প্ৰায় ২০ হাজাৰ কোটি টকা বিতৰণ কৰা হ'ব। এই আঁচনিৰ দ্বাৰা ৰাজ্যৰ ১৭ লাখ ৫০ হাজাৰ কৃষকে মুঠ ৩৫০ কোটি টকা বেংক একাউণ্টযোগে লাভ কৰিব। দেশৰ সকলো কৃষকক সহায় আগবঢ়োৱাৰ লক্ষ্যৰে ২০১৯ চনত পি এম কিষাণ আঁচনি আৰম্ভ কৰা হৈছিল। এই আঁচনিৰ জৰিয়তে প্ৰতিবছৰে যোগ্য কৃষকক ছহেজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। এই ধনৰাশি ২ হাজাৰকৈ

তিনিটা কিস্তিত হিতাধিকাৰীসকলক বেংক একাউণ্টযোগে প্ৰদান কৰা হয়। আঁচনিখনৰ জৰিয়তে বৰ্তমানলৈকে ১১ কোটি কৃষক পৰিয়াল উপকৃত হৈছে।

০০০০০০

অৰুণাচল প্ৰদেশৰ বিজেপিৰ জ্যেষ্ঠ নেতা পেমা খান্দুৱে ইটানগৰৰ দৰ্জি খান্দু অভিৱৰ্তন কেন্দ্ৰত আজি দিনৰ ১১ বজাত মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব। শ্ৰী খান্দুৱে কালি বিয়লি ৰাজভৱনত ৰাজ্যপাল লেফটেনেণ্ট জেনেৰেল কে টি পাৰনায়কক সাক্ষাৎ কৰে আৰু চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰে। ইয়াৰ পাছতে ৰাজ্যপালগৰাকীয়ে শ্ৰী খান্দুক নতুন চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ জনায়। ইয়াৰ পূৰ্বে শ্ৰী খান্দুক কালি কেন্দ্ৰীয় পৰ্যবেক্ষক ৰবিশংকৰ প্ৰসাদ আৰু তৰুণ চুঘৰ উপস্থিতিত বিজেপিৰ বিধায়িনী দলৰ নেতা হিচাপে সৰ্বসন্মতিক্ৰমে বাছনি কৰা হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ সভাপতি জে পি নাড্ডা আৰু দলৰ সাধাৰণ সম্পাদক বি এল সন্তোষকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে আজি শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব।

০০০০০০

ড্ৰাগছৰ বিৰুদ্ধে অসম আৰক্ষীৰ অভিযান অব্যাহত আছে। কালি অসমৰ আৰক্ষীয়ে দুটা পৃথক অভিযানত বুজন পৰিমাণৰ নিচাযুক্ত টেবলেট জব্দ কৰিবলৈ সক্ষম হয়। কালি বিয়লি কৰিমগঞ্জত অসম আৰক্ষীৰ বিশেষ কাৰ্য বাহিনীৰ মহাপৰিদৰ্শক পাৰ্থ সাৰথি মহন্তৰ নেতৃত্বত চলা এটা অভিযানত প্ৰায় ৬৬ কোটি টকা মূল্যৰ নিচাযুক্ত টেবলেট জব্দ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে ৩টা সৰবৰাহকাৰীক আটক কৰিছে।

ইপিনে কাৰ্বি আংলঙত কালি আৰক্ষীয়ে অভিযান চলাই এখন ব্যক্তিগত বাহনৰ পৰা ৩৬ হাজাৰ নিচাযুক্ত টেবলেট জব্দ কৰে।

০০০০০০

ৰাজ্য চৰকাৰে পূৰ্ব ঘোষিত মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনি ৰূপায়ণ কৰাৰ বাবে কালি কেবিনেট বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰিছে। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ৰাজ্যিক মন্ত্ৰীসভাই এই আঁচনিখনক আনুষ্ঠানিকভাৱে স্বীকৃতি প্ৰদান কৰিছে। এই আঁচনি অনুসৰি দশম শ্ৰেণী উত্তীৰ্ণ হৈ একাদশ শ্ৰেণীত নামভৰ্তি কৰা প্ৰতিগৰাকী ছাত্ৰীয়ে মাহে এহেজাৰ টকাকৈ লাভ কৰিব। উচ্চতৰ মাধ্যমিক শিক্ষা শেষ নোহোৱালৈকে ছাত্ৰীসকলে প্ৰতিমাহৰ ১১ তাৰিখে বেংক একাউণ্টযোগে এই ধন লাভ কৰিব। একেদৰে উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হৈ তিনিবছৰীয়া বা চাৰিবছৰীয়া স্নাতক শ্ৰেণীত নাম ভৰ্তি কৰা ছাত্ৰীসকলে মাহে এহেজাৰ ২৫০ টকাকৈ লাভ কৰিব। তদুপৰি স্নাতক উত্তীৰ্ণ হৈ স্নাতকোত্তৰ শ্ৰেণী বা বি এড পাঠ্যক্ৰমত নামভৰ্তি কৰা ছাত্ৰীসকলে মাহে দুহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। অৱশ্যে জুন আৰু জুলাই মাহত এই আঁচনিৰ ধন প্ৰদান কৰা নহয়। এই আঁচনিৰ সুবিধা এ পি এল - বি পি এল নিৰ্বিশেষে সকলোৱে গ্ৰহণ কৰিব পাৰিব।

অহা ১ জুলাইৰ পৰা মহাবিদ্যালয়সমূহত আৰু আগষ্ট মাহৰ পৰা বিশ্ববিদ্যালয়সমূহত এই আঁচনিৰ বাবে প্ৰ-পত্ৰ পূৰণ কৰা হ'ব। তদুপৰি নিযুত মইনা প'ৰ্টেলৰ পৰাও ডাউনলোড কৰি ছাত্ৰীসকলে প্ৰ-পত্ৰ পূৰণ কৰিব পাৰিব। এই সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে অহা জুলাইত মহাবিদ্যালয়-বিশ্ববিদ্যালয়সমূহত সজাগতা সভাৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে এই বছৰ চৰকাৰে ২ লাখ ছাত্ৰীক এই আঁচনিখনত সামৰি ল'ব আৰু ৩০০ কোটি টকা ব্যয় কৰিব। অহা বছৰ যিহেতু উচ্চতৰ মাধ্যমিক বিত্তীয় বৰ্ষ আৰু স্নাতক

দ্বিতীয় বৰ্ষতো এই আঁচনিৰ সুবিধা আহি পৰিব, সেয়ে অহা বছৰতো এই আঁচনিৰ বাবদ ৬০০ কোটি টকা ব্যয় হ'ব। ৫ বছৰৰ বাবে গ্ৰহণ কৰা এই আঁচনিৰ জৰিয়তে মুঠ ১০ লাখ ছাত্ৰী উপকৃত হ'ব। অন্তিম বছৰটোত আঁচনিখনত মুঠ এহেজাৰ ৫০০ কোটি টকা ব্যয় হ'ব।

উল্লেখযোগ্য যে উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ স্কুটী লাভ কৰা ছাত্ৰীসকলক এই আঁচনিৰ অধীনত সামৰি লোৱা হোৱা নাই। অৱশ্যে কোনো ছাত্ৰীয়ে স্কুটী গ্ৰহণ নকৰি নিযুত মইনা আঁচনিৰ সুবিধা লাভ কৰিব বিচাৰিলে তেওঁলোক আঁচনিখনত অন্তৰ্ভুক্ত হ'ব পাৰিব। সেইদৰে মন্ত্ৰী, বিধায়ক, সাংসদৰ কন্যাই এই আঁচনিৰ সুবিধা লাভ কৰিব নোৱাৰিব।

বাল্য বিবাহৰ লগতে কম বয়সতে ছোৱালীৰ বিয়া ৰোধৰ প্ৰতি লক্ষ্য ৰাখি এই আঁচনি প্ৰস্তুত কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, উচ্চতৰ মাধ্যমিক আৰু স্নাতক পৰ্যায়ৰ কোনো বিবাহিত ছাত্ৰীয়ে এই আঁচনিৰ সুবিধা লাভ কৰিব নোৱাৰিব। ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত অধ্যয়ন কৰা ছাত্ৰীয়ে এই সুবিধা নাপাব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ইপিনে, অৰ্থনৈতিকভাৱে দুৰ্বল শিক্ষাৰ্থীয়ে নীটৰ পৰীক্ষাত সফলতা লাভ কৰাৰ বাবে ৰাজ্য চৰকাৰে ফলপ্ৰসূ প্ৰচেষ্টা হাতত লৈছে বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয় যে ৰাজ্যিক যুৱ আয়োগৰ নেতৃত্বত শিক্ষাৰ্থীসকলক প্ৰশিক্ষণ দিয়া হৈছে। ডিব্ৰুগড়ত এলেনৰ সৈতে যুটীয়াভাৱে ২২০ গৰাকী শিক্ষাৰ্থীক প্ৰশিক্ষণ দিয়া হৈছিল আৰু ইয়াৰ ভিতৰত ১৫০ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে শীঘ্ৰেই নলবাৰী, শিলচৰ আৰু যোৰহাটতো প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব। উল্লেখযোগ্য যে ৮০০ খন চাহ বাগিচাৰ পথ সংযোগ উন্নত কৰাৰ বাবে আজিৰ মন্ত্ৰীসভাৰ বৈঠকত ৮০০ কোটি টকাৰ অনুমোদন জনোৱা হয়।

০০০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসলৈ মাজত কেইটামান দিন বাকী থকা অৱস্থাত দেশৰ অন্যান্য অংশৰ লগতে অসমতো এই দিৱসৰ প্ৰস্তুতি অব্যাহত আছে। এইবাৰৰ এই দিৱসৰ বিষয় হৈছে - 'মহিলা সৱলীকৰণৰ বাবে যোগ'। শৰীৰ আৰু মনৰ সুস্থতা ৰক্ষাৰ ক্ষেত্ৰত যোগাভ্যাসৰ গুৰুত্ব বিশ্বৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণে উপলব্ধি কৰাৰ পৰিপ্ৰেক্ষিতত এই দিৱসৰ প্ৰাসংগিকতা বৃদ্ধি পাইছে। যোগৰ গুৰুত্ব সন্দৰ্ভত যোগ বিশেষজ্ঞ প্ৰণৱ কুমাৰ নাথে এইদৰে কয় –

(ভইচ)

০০০০০০

নটৰাজ থিয়েটাৰৰ প্ৰযোজক অচ্যুত লহকৰক কালি অষ্টম মৃত্যুবাৰ্ষিকীত ৰাজ্যৰ বিভিন্ন প্ৰান্তত স্মৰণ কৰা হয়। পাঠশালা প্ৰেছ ক্লাব আৰু বজালী বাৰ্তাজীৱী সংঘৰ উদ্যোগত বজালী প্ৰগতি সংঘৰ বাকৰিত থকা অচ্যুত লহকৰৰ সমাধিক্ষেত্ৰত বন্তি প্ৰজ্বলন কৰা হয়। আনহাতে, ৰঙিয়াত মঞ্চ নামৰ সামাজিক, সাংস্কৃতিক অনুষ্ঠানৰ লগতে অচ্যুত লহকৰ স্মাৰক বঁটা প্ৰদান সমিতিয়ে দক্ষিণ ৰঙিয়া প্ৰেছ ক্লাবত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানত ২০২৪ বৰ্ষৰ অচ্যুত লহকৰ স্মাৰক বঁটাৰ বাবে নাট্যকাৰ, অভিনেতা তথা পৰিচালক হেমন্ত দত্তৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰা হয়। অহা ৭ জুলাইত ৰঙিয়া প্ৰগতি সংঘত এই বঁটা প্ৰদান কৰা হ'ব।

০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা চাৰে ৮ বজাত ‘চলন্তিকা’ অনুষ্ঠানত ‘মানসিক স্বাস্থ্যৰ বাবে যোগ’ শীৰ্ষক কথোপকথন প্ৰচাৰ কৰিব। অনুষ্ঠানটোত অতিথি হিচাপে যোগ বিশেষজ্ঞ প্ৰণৱ কুমাৰ নাথ উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব ডলী দেৱীয়ে।

০০০০০০

বিদেশ মন্ত্ৰালয়ে জনোৱা অনুসৰি কুৱেইটৰ মাংগাফ অঞ্চলত শ্ৰমিক বাস কৰা এটা ভৱনত কালি সন্ধিয়া সংঘটিত অগ্নিকাণ্ডত প্ৰায় ৪০ জন ভাৰতীয় লোকৰ মৃত্যু হোৱাৰ লগতে ৫০ জনতকৈ অধিক লোক আহত হৈছে। দেশখনত থকা ভাৰতীয় দূতাবাসে কুৱেইট কৰ্তৃপক্ষ আৰু শ্ৰমিকসকল কৰ্মৰত কোম্পানীটোৰ পৰা ঘটনাৰ সবিশেষ সংগ্ৰহ কৰি থকা বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে। মন্ত্ৰালয়ে এক বিবৃতিত কয় যে আহতসকলক বৰ্তমান চৰকাৰী চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে আৰু তেওঁলোকৰ উপযুক্ত চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে। চিকিৎসালয় কৰ্তৃপক্ষই ভৰ্তি হোৱা লোকসকলৰ অধিকাংশৰ অৱস্থা সুস্থিৰ বুলি প্ৰকাশ কৰিছে।

ইপিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কালি এই ঘটনা সন্দৰ্ভত তেওঁৰ নতুন দিল্লীৰ বাসগৃহত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত প্ৰধানমন্ত্ৰীয়ে এই ঘটনাক লৈ শোক প্ৰকাশ কৰাৰ লগতে মৃতকৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে আৰু আহতসকলৰ আশু আৰোগ্য কামনা কৰে।

প্ৰধানমন্ত্ৰীয়ে বৈঠকত বিদেশ ৰাজ্য মন্ত্ৰী কীৰ্তি বৰ্ধন সিঙক জৰুৰীভাৱে কুৱেইটলৈ গৈ সাহায্য ব্যৱস্থাৰ তদাৰক কৰিবলৈ আৰু মৃতদেহসমূহ ক্ষিপ্ৰতাৰে দেশলৈ ঘূৰাই অনাৰ সুবিধা কৰিবলৈ নিৰ্দেশ দিয়ে।

শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী সাহায্য পুঁজিৰ পৰা নিহত ভাৰতীয় নাগৰিকসকলৰ পৰিয়ালৰলৈ দুই লাখ টকাকৈ এককালীন সাহায্যৰ কথা ঘোষণা কৰিছে।

০০০০০০

অসমৰ চেতনা শৰ্মাই মহাৰাষ্ট্ৰত অনুষ্ঠিত মহিলাৰ পাঞ্জাত চেম্পিয়ন অৱ চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। মহাৰাষ্ট্ৰ পাঞ্জা সন্থাৰ উদ্যোগত ৬ জুনৰ পৰা ১০ জুনলৈ নাগপুৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাখনৰ ছিনিয়ৰ ৬৫ কেজি শাখাত শ্ৰীমতী শৰ্মাই স্বৰ্ণপদক অৰ্জন কৰে। অসমৰ খেলুৱৈগৰাকীয়ে হাৰিয়ানাৰ ৯৫ কেজি শাখাৰ চেম্পিয়ন নিৰ্মল দেৱীক পৰাস্ত কৰি চেম্পিয়ন অৱ চেম্পিয়নৰ খিতাপ দখল কৰিবলৈ সমৰ্থ হৈছে। উল্লেখযোগ্য যে প্ৰতিযোগিতাখনত আঠাইকেইখন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ২০০ গৰাকীতকৈও অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল।

০০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ভাৰতে যোৱা নিশা আমেৰিকা যুক্তৰাষ্ট্ৰক ৭ উইকেটত পৰাস্ত কৰে। নিউয়ৰ্কৰ নাছাউ কাণ্টিত অনুষ্ঠিত খেলখনত ভাৰতে জয় লাভৰ জৰিয়তে প্ৰতিযোগিতাৰ ছুপাৰ-এইট পৰ্যায়ত স্থান নিশ্চিত কৰিছে। খেলখনত আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত আঠটা উইকেট হেৰুৱাই ১১০ ৰাণ কৰে। আমেৰিকাৰ হৈ নিতিশ কুমাৰে ২৩টা বলত ২৭ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ অশদীপ সিঙে চাৰিটা উইকেট লাভ কৰে। ভাৰতে ১১১ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি আৰম্ভণিতে দুটাকৈ উইকেট হেৰুৱায়। বিৰাট কোহলীয়ে এটাও ৰাণ নকৰাকৈ আৰু ৰোহিত শৰ্মাই ৩ ৰাণ কৰি আউট হয়। আমেৰিকাৰ বাওঁহতীয়া বেগী বলাৰ সৌৰভ নেত্ৰাৱলকৰে দুয়োটা উইকেট

দখল কৰে। ভাৰতে সূৰ্যকুমাৰ যাদৱৰ আকৰ্ষণীয় অৰ্ধশতক আৰু শিৱম ডুবেৰ ৩১ ৰাণৰ সহায়ত খেলখনত জয়লাভ কৰে।

ত্ৰিনিদাদত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত ৱেষ্ট ইণ্ডিজ নিউজিলেণ্ডৰ সন্মুখীন হৈছে। খেলখনত ৱেষ্ট ইণ্ডিজে প্ৰথমে বেট ধৰি নিউজিলেণ্ডক ১৫০ ৰানৰ বিজয়লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। আমালৈ বাতৰি অহাৰ পৰলৈকে নিউজিলেণ্ডে ১০ অভাৰত ৪টা উইকেট হেৰুৱাই ৫৮ ৰাণ কৰি খেলি আছে। ইপিনে, আজি ৱেষ্ট ইণ্ডিজৰ কিংষ্টনত হ'বলগীয়া আন এখন খেলত বাংলাদেশ নেডাৰলেণ্ডছৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

০০০০০০

কুৱেইটৰ এটা অট্টালিকাত সংঘটিত ভয়াৱহ অগ্নিকাণ্ডত ৪১ জন ভাৰতীয়সহ ৪৯ জন লোকে প্ৰাণ হেৰুৱাৰ বাতৰিক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে একেটা বাতৰিকে **কুৱেইটত বিধ্বংসী অগ্নিকাণ্ডত ৪১ জন ভাৰতীয় শ্ৰমিকৰ মৃত্যু** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। ২০০০ চনত লালকিল্লা আক্ৰমণ কৰা পাকিস্তানী সন্ত্ৰাসবাদী মহম্মদ আৰিফৰ প্ৰাণৰক্ষাৰ আৱেদন ৰাষ্ট্ৰপতিয়ে দ্বিতীয়বাৰৰ বাবে নাকচ কৰাৰ বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দৈনিক অগ্ৰদূত** কাকতে **আৰিফৰ ক্ষমা আৱেদন নাকচ ৰাষ্ট্ৰপতিৰ, ফাঁচি আসন্ন** শিৰোনামেৰে প্ৰথম স্থান দিছে। ২০২৪ বৰ্ষৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৬০% নম্বৰ পোৱা ছাত্ৰীয়ে স্কুটী লাভ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **দৈনিক জনমভূমি** কাকতে **ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ গ্ৰাসত কেৰকেৰ চাপৰি** শিৰোনামেৰে লখিমপুৰৰ নামনিৰ নৈপৰীয়া অঞ্চলৰ জটিল পৰিস্থিতিৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। টিডিপিৰ মুৰব্বী চন্দ্ৰবাবু নাইডুৱে অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে শপত লোৱাৰ লগতে ওড়িশাৰ প্ৰথমগৰাকী বিজেপি মুখ্যমন্ত্ৰী হিচাপে মোহন চৰণ মাঝিয়ে কালি শপতগ্ৰহণ কৰাৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।বিশ্ব স্বাস্থ্য সংস্থাই পশ্চিম বংগত ভাৰতৰ প্ৰথমটো বাৰ্ড ফ্লুৰ মানৱ সংক্ৰমণৰ ঘটনা নিশ্চিত কৰাৰ বাতৰিক **দ্যা চেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ পূৰ্বানুমান অনুসৰি অহা ১৬ জুনলৈকে অসমত বৰষুণৰ প্ৰকোপ বৃদ্ধি হোৱাৰ সম্ভাৱনাৰ বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে–

1. অহা ২৪ জুনৰ পৰা অষ্টাদশ লোকসভাৰ প্ৰথম অধিবেশন
2. সাংসদ হৈ বিধায়ক পদ এৰিলে কোকৰাঝাৰৰ বিধায়ক জয়ন্ত বসুমতাৰীয়ে
3. দুহেজাৰ টকা ঘোচ লৈ শিলচৰত ভিজিলেঞ্চৰ হাতত গ্ৰেপ্তাৰ ৰাজহ বিভাগৰ জ্যেষ্ঠ সহায়ক
4. আইজিপি পাৰ্থ সাৰথি মহন্তৰ নেতৃত্বত কৰিমগঞ্জত চলা অভিযানত ৬৬ কোটি টকাৰ নিচাযুক্ত টেবলেটসহ ৩ জন গ্ৰেপ্তাৰ

এয়াই আছিল আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০